LiFE
Lifestyle for Environment

pcba

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ পৃষ্ঠপোষকতাত টিহু মহাবিদ্যালয়ৰ আভ্যন্তৰীণ গুণগত মান নিশ্চিতকৰণ কোষ (IQAC) আৰু টিহু মহাবিদ্যালয় ইক' ক্লাৱ (Eco-Club) ৰ সহযোগত

# বিশ্ব পৰিৱেশ দিৱস পালন

৫ জুন, ২০২৩ খ্ৰীষ্টাব্দ

**মূল বিষয় ঃ প্লাষ্টিক প্ৰদূষণ ৰোধ কৰোঁ আহক**

স্থান ঃ কালিচৰণ ডেকা সোঁৱৰণী প্ৰেক্ষাগৃহ
টিহু মহাবিদ্যালয়

## "আবর্জনামুক্ত আৰু প্ৰদূষণমুক্ত সমাজ গঢ়োঁ আহক"
## "এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক বৰ্জন কৰক"

শ্ৰদ্ধাৰ ৰাইজ,

মানৱ সমাজৰ বাবে প্লাষ্টিক এক এৰিব নোৱৰা সম্পদ। বৰ্তমান সময়ত কম প্ৰয়োজনীয় সামগ্ৰীৰ পৰা বৃহৎ বৃহৎ কল-কাৰখানা, দোকান-বজাৰ, ঘৰুৱা ব্যৱহৃত আচবাব, শিক্ষা অনুষ্ঠানৰ সা-সমল ইত্যাদি সকলোতে প্লাষ্টিক এক আৱশ্যকীয় সমল। প্লাষ্টিকৰ অবিহনে কিছুমান সামগ্ৰী নিৰ্মাণেই সম্ভৱ হৈ নুঠিলহেঁতেন। বিজ্ঞান-প্ৰযুক্তিৰ অগ্ৰগতিৰ লগে লগে প্লাষ্টিকৰ ব্যৱহাৰো বৃদ্ধি হৈছে। গোটেই দিনটোৰ প্ৰায়ভাগ কামতে আমি প্লাষ্টিকৰ ওপৰত নিৰ্ভৰশীল হওঁ। অতি সহজলভ্য আৰু পুনৰ ব্যৱহাৰ কৰিব পৰা গুণৰ বাবে প্লাষ্টিক বৰ্তমান বিশ্বৰ প্ৰায়বোৰ ঔদ্যোগিক ক্ষেত্ৰত প্ৰচুৰ পৰিমাণে ব্যৱহাৰ হয়। প্লাষ্টিকৰ পৰিৱৰ্তে বিভিন্ন ধাতৱ পদাৰ্থৰে নিত্য ব্যৱহাৰ্য সামগ্ৰী প্ৰস্তুত কৰিবলৈ হ'লে পৃথিৱীৰ পৰা বহু ধাতু ইতিমধ্যে নাইকিয়া হৈ গ'লহেঁতেন। সেয়েহে প্লাষ্টিক এবিধ আমাৰ অতিকৈ গুৰুত্বপূৰ্ণ সম্পদ।

আনহাতে, প্লাষ্টিকৰ সদ্ব্যৱহাৰ নোহোৱাৰ বাবেই ই আমাৰ ঘাতক স্বৰূপ হৈ পৰিছে। প্লাষ্টিক সহজে ক্ষয় নাযায় বাবে ই মাটি, পানীত প্ৰদূষণৰ মাৰাত্মক অন্য এক কাৰণ হৈ পৰিছে। ইয়াৰ আবৰ্জনাৰে পানী, মাটিত বৃহৎ বৃহৎ দমৰ সৃষ্টি হৈছে। প্লাষ্টিকে মাটিৰ উৰ্বৰতা হ্ৰাস কৰি কৃষিকাৰ্যত বিস্তৰ ক্ষতি কৰিছে। নদ-নদী, জলাশয়ত প্লাষ্টিকে প্ৰদূষণ সৃষ্টি কৰি জলজ উদ্ভিদ-প্ৰাণীৰ ভাবুকি স্বৰূপ হৈ পৰিছে। জলাশয়ত ৰাসায়নিক পৰিৱৰ্তন ঘটাই পানী প্ৰদূষিত কৰিছে। প্লাষ্টিক পুৰিলেও অতিশয় মাৰাত্মক $CO_2$ আৰু কাৰ্বন মন'অক্সাইড গেছ সৃষ্টি হৈ জনস্বাস্থ্যৰ যথেষ্ট ক্ষতি হয়। সেয়েহে, প্লাষ্টিকৰ সদ্ব্যৱহাৰ অৰ্থাৎ প্লাষ্টিক কমকৈ ব্যৱহাৰ (Reduce), পুনঃ ব্যৱহাৰ (Reuse) আৰু পুৰ্নাবৰ্তন (Recycle) কৰোঁ আহক।

<u>নিষিদ্ধ প্লাষ্টিক সামগ্ৰীসমূহ ঃ-</u>

- এবাৰ ব্যৱহাৰযোগ্য পলিথিন বেগ
- কাপ-প্লেট, গিলাচ ট্ৰে
- চকলেট-বেলুন-আইচক্ৰীমৰ ষ্টিক
- ষ্ট্ৰ, কফী, ষ্টা, ফৰ্ক, চামুচ, ছুৰী
- কাণ খজুওৱা ষ্টিক
- মিঠাই-চিগাৰেট-নিমন্ত্ৰণী পত্ৰৰ ৰেপাৰ
- ডেক'ৰেচন থাৰ্মক'ল (পলিষ্টিৰিণ)
- প্লাষ্টিক পতাকা আৰু ষ্টিক

অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ আৰু IQAC, টিহু মহাবিদ্যালয়ৰ লগতে
Eco-Club টিহু মহাবিদ্যালয়ৰ দ্বাৰা প্ৰচাৰিত

# সেউজ পৰিৱেশ সংৰক্ষণ

## বিনম্ৰ গোহাৰি

শ্ৰদ্ধাৰ ৰাইজ,

অসমৰ বিনন্দীয়া প্ৰাকৃতিক পৰিৱেশ আমাৰ বাবে অতি আনন্দৰ আৰু গৌৰৱৰ কথা। কিন্তু, এই সুন্দৰ পৰিৱেশ আমাৰ কিছু কৰ্মকাণ্ডৰ বাবে আজি বিপজ্জনক দিশলৈ গতি কৰাটো অতি উদ্বেগৰ কথা হৈ পৰিছে। মানুহৰ অসচেতনতা আৰু অদূৰদৰ্শীতাই প্ৰাকৃতিক পৰিৱেশ জীৱকূলৰ বসবাসৰ অনুপযোগী কৰি তোলাটো আত্মঘাতী প্ৰৱণতাৰ বাহিৰে আন একো নহয়। সেয়েহে ৰাইজলৈ আমি বিনম্ৰ গোহাৰি জনাওঁ যে আপোনালোকে পৰিৱেশ অনুকূলে কাম কৰক আৰু ভৱিষ্যতৰ প্ৰজন্মলৈ পৃথিৱীখন সেউজীয়া কৰি ৰখাত হাত উজান দিয়ক। বিশেষভাৱে নিম্নোক্ত বিষয়বোৰ পালন কৰি আমি আমাৰ পৰিৱেশ সংৰক্ষণ কৰিব পাৰিম।

১। ঘৰুৱাভাৱে ব্যৱহৃত জাবৰ-জোথৰবোৰ নলা-নৰ্দমাত নেপেলাব।

২। ব্যৱহৃত পলিথিন-প্লাষ্টিকৰ সামগ্ৰীবোৰ নলা-নৰ্দমা অথবা নৈত নেপেলাব।

৩। বৰ্জিত মুখাৱৰণবোৰ য'তে ত'তে নেপেলাব।

৪। নৈৰ পাৰৰ গছ-বনবোৰ সংৰক্ষণত গুৰুত্ব দিয়ক।

৫। সকলোধৰণৰ পেলনীয়া আৱৰ্জনা নৈত পেলোৱাৰ পৰা বিৰত থাকক।

৬। নৈত বা নৈৰ পাৰত মৃত জীৱ-জন্তু পেলোৱাৰ পৰা বিৰত থাকক।

৭। পলিথিনৰ সলনি কাপোৰৰ মোনা ব্যৱহাৰৰ অভ্যাস কৰক।

৮। পৰিষ্কাৰ বটলৰ পানী খাই বা অন্যান্য পানীয় খাই বটলবোৰ য'তে ত'তে নেপেলাব।

৯। ব্যৱহাৰ কৰা চিপছ্, গুটখা, বিস্কুটৰ খালী পেকেটবোৰ কোনো কাৰণতে য'তে ত'তে নেপেলাই সামৰি লৈ অহাৰ অভ্যাস কৰক। পিছত সেইবোৰ নিষ্কাষণৰ ব্যৱস্থা লওক।

১০। যথেষ্ট পৰিমাণে গছ ৰোপণ কৰি আমাৰ পৃথিৱীখন সেউজ আৰু নিৰ্মল কৰি ৰাখক


MHRD | Ministry of Human Resource Development
PLASTIC BAG
20 years
PLASTIC STRAW
200 years
The lifecycle of PLASTIC
PLASTIC WATER BOTTLE
450 years
PLASTIC CUP
30 years
#BanSingleUsePlastic


LiFE
প্লাষ্টিক আৱৰ্জনা পৰিৱেশ আৰু
জীৱকূলৰ বাবে ভীষণ ক্ষতিকাৰক।
এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সামগ্ৰীৰ বিকল্প
ব্যৱহাৰ কৰোঁ আহক।
ভাৰত চৰকাৰৰ দ্বাৰা নিষেধাজ্ঞা আৰোপ কৰা
এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিকৰ সামগ্ৰী
প্লাষ্টিকৰ বিকল্প সামগ্ৰী
এবাৰ ব্যৱহাৰযোগ্য প্লাষ্টিক সামগ্ৰীৰ ব্যৱহাৰ বন্ধ কৰক
অসম প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ দ্বাৰা প্ৰচাৰিত